জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৫২/২০২১

বিশিষ্ট কণ্ঠশিল্পী কুল বৰুৱাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

দিছপুৰ, ২৫ ফেব্ৰুৱাৰীঃ বিশিষ্ট কণ্ঠশিল্পী, সংগীতজ্ঞ, সংগীত পৰিচালক কুল বৰুৱাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত কুল বৰুৱাই অসমৰ সংগীত জগতলৈ যি অৰিহণা আগবঢ়াই গ'ল তাক সমগ্ৰ অসমবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত কুল বৰুৱাই বহুকেইটা সুৰীয়া গীতত কণ্ঠ দানেৰে সকলো সংগীতপ্ৰেমী ৰাইজৰ অন্তৰত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছিল। তদুপৰি এগৰাকী সংগীতজ্ঞ আৰু সংগীত পৰিচালক হিচাপে তেখেতে যথেষ্ট অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী বিশিষ্ট কণ্ঠ শিল্পীৰ বিয়োগ আমাৰ সাংস্কৃতিক জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত কুল বৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

পুঃডেঃ
২৫/০২/২০২১